**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-01-2025 **Time :** 1205 Hrs

***Assamese Midday Bulletin***

ইংৰাজী নৱবৰ্ষৰ আজি প্ৰথম দিনা গুৱাহাটী মহানগৰীত নিৰ্মাণ কৰা কেইবাকোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্প মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাইজৰ বাবে উৎসৰ্গা কৰে। মুখ্যমন্ত্ৰীয়ে আজি পুৱাৰ ভাগতে গুৱাহাটী মহানগৰীৰ পল্টন বজাৰৰ ৰে'ল ষ্টেচনৰ সমীপৰ জি এছ্ ৰোডৰ ওপৰত প্ৰায় ১৬ কোটি ৬৭ লাখ টকা ব্যয়ৰে নিৰ্মাণ কৰা অত্যাধুনিক পদপথ সেঁতুখন উদ্বোধন কৰে। এই সেঁতুখনে গুৱাহাটী ৰে'ল ষ্টেচনলৈ যাবলগীয়া পথচাৰীসকলৰ যাত্ৰা সুগম কৰিব। ইয়াৰ পাছত মুখ্যমন্ত্ৰীয়ে ভাৰতৰত্ন সন্মানেৰে সন্মানিত অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈৰ সমাধি-শান্তিস্থলত ১ কোটি ২৬ লাখ টকাৰ ব্যয়ৰে নিৰ্মাণ কৰা তেওঁৰ এটা আৱক্ষ প্ৰতিমূৰ্তি আৰু নতুন পুথিভঁৰাল ভৱন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই ইয়াৰ পাছত গুৱাহাটীৰ খানাপাৰাত ১২ কোটি টকাৰে নিৰ্মাণ কৰা আন্তঃৰাজ্যিক মিনি বাছ আস্থানটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। ইয়াৰ লগতে আজি এই অনুষ্ঠানতে তেওঁ ৫৬ খন নতুন বৈদ্যুতিক বাছৰো যাত্ৰাৰ শুভাৰম্ভ কৰে।

মুখ্যমন্ত্ৰীৰ ব্যস্ততাপূৰ্ণ কাৰ্যসূচীৰ অংশ হিচাপে তেওঁ আজি কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত নতুন দিনৰ আলাপ শীৰ্ষক কাৰ্যসূচীত কেইবাগৰাকীও জ্যেষ্ঠ সম্পাদকৰ সৈতে বাৰ্তালাপ কৰাৰ লগতে জ্যেষ্ঠ নাগৰিকৰ সৈতে মত বিনিময় কৰিছে। ইয়াৰ পাছত অতিথিশালাৰ সভাকক্ষত অনুষ্ঠিত অসম মন্ত্ৰীসভাৰ এখন বৈঠকত মুখ্যমন্ত্ৰীয়ে অধ্যক্ষতা কৰিব।

বিয়লি ড° শৰ্মাই ৩৬২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া অসম ৰাজ্যিক চিৰিয়াখানা তথা উদ্ভিদ উদ্যানৰ আধুনিকীকৰণ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। ইয়াৰ পাছত মুখ্যমন্ত্ৰীগৰাকীয়ে কাহিলিপাৰাৰ জ্যোতি চিত্ৰবনত ১২ কোটি টকাৰে নিৰ্মাণ কৰিবলগীয়া এহেজাৰ আসনযুক্ত অত্যাধুনিক প্ৰেক্ষাগৃহৰ আধাৰশিলা স্থাপন কৰিব।

oooooo

ইংৰাজী নৱবৰ্ষ ২০২৫-ৰ আজি পহিলা দিন উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তত জনসাধাৰণৰ মাজত নৱবৰ্ষ উদযাপনৰ উৎসাহ-উদ্দীপনাই বিৰাজ কৰিছে। নতুন বছৰটোত নিজৰ লগতে পৰিয়ালৰ কুশল কামনা কৰি নেদেখাজনৰ আশীষ ল'বলৈ আজি পুৱাতেই ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ধৰ্মীয় স্থানসমূহত অগণন লোকৰ সমাগম হৈছে। গুৱাহাটী মহানগৰীৰ শক্তিপীঠ কামাখ্যা ধাম, উত্তৰ গুৱাহাটীৰ দৌল গোবিন্দ দেৱালয়, লতাশিল আৰু গণেশগুৰি গণেশ মন্দিৰৰ উপৰি অন্যান্য মঠ-মন্দিৰ আৰু ধৰ্মীয় স্থানসমূহত বহুলোক সমবেত হয়। ইপিনে, আত্মীয় বন্ধু-বান্ধৱ আৰু পৰিয়ালৰ সৈতে দিনটো আনন্দৰে অতিবাহিত কৰিবলৈ আজি বহুলোক বনভোজস্থলী আৰু নৈসৰ্গিক সৌন্দৰ্যৰে পৰিপূৰ্ণ স্থানসমূহত উপস্থিত হৈছে। গুৱাহাটীৰ অসম ৰাজ্যিক চিৰিয়াখানাত আজি পুৱাৰেপৰা বিৰ দি বাট নোপোৱা পৰিৱেশৰ সৃষ্টি হৈছে। নৱবৰ্ষক আদৰাৰ বাবে ৰাজ্যৰ ঠায়ে ঠায়ে বিভিন্ন অনুষ্ঠানৰো আয়োজন কৰা হৈছে। শিশুসকলৰ মাজত প্ৰতিযোগিতাৰ উপৰি সাংস্কৃতিক কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। খানাপাৰাত চলি থকা অসম গ্ৰন্থমেলাতো আজি গ্ৰন্থক্ৰয় আৰু অনুষ্ঠানসমূহ উপভোগৰ বাবে পুৱাৰেপৰা বহুলোক সমবেত হৈছে।

oooooooo

ৰাজ্যৰ তৃতীয় আৰু চতুৰ্থবৰ্গৰ কৰ্মচাৰীসকলৰ পাৰস্পৰিক বদলিকৰণ প্ৰক্ৰিয়া সৰল আৰু সহজসাধ্য কৰি তোলাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে আজি 'স্বাগত সতীৰ্থ' শীৰ্ষক এটা প'ৰ্টেল মুকলি কৰে। গুৱাহাটীৰ কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত এই উপলক্ষে আয়োজিত কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। কৰ্মচাৰীসকলে আজিৰেপৰা অহা ২৮ ফেব্ৰুৱাৰীৰ ভিতৰত এই প'ৰ্টেলত বদলিকৰণৰ বাবে আবেদন কৰিব পাৰিব। সম গ্ৰেড পে' লাভ কৰা কৰ্মচাৰী, সম সেৱা বিধি কৰ্মচাৰী আৰু সম অৰ্হতা সম্পন্ন কৰ্মচাৰীৰ ক্ষেত্ৰতহে এই নিয়ম প্ৰযোজ্য হ'ব। কৰ্মচাৰীসকলে চাকৰি কালত দুবাৰকৈ এই সুবিধা গ্ৰহণ কৰিব পাৰিব।

০০০০০০০

খাদ্য সুৰক্ষা সুনিশ্চিতকৰণৰ লক্ষ্যৰে ৰাজ্য চৰকাৰৰ জনমুখী প্ৰয়াসৰ অংশ হিচাপে আজিৰেপৰা ১০ জানুৱাৰীলৈ অন্ন সেৱা দিন পালন কৰা হৈছে। এই দিনকেইটাত প্ৰধানমন্ত্ৰী গৰীব কল্যাণ অন্ন যোজনাৰ হিতাধিকাৰীসকলক অন্ত্যোদয়া অন্ন যোজনাৰ অধীনত ৩৫ কিলোগ্ৰামকৈ চাউল প্ৰদান কৰাৰ লগতে অগ্ৰাধিকাৰপ্ৰাপ্ত প্ৰতিটো পৰিয়াললৈ ৫ কিলোগ্ৰামকৈ চাউল প্ৰদান কৰা হ'ব। জনসাধাৰণক সুলভ মূল্যৰ দোকানৰ পৰা বিনামূলীয়া চাউল সংগ্ৰহ কৰি ৰচিদ ল'বলৈ ৰাজ্য চৰকাৰে আহ্বান জনাইছে।

০০০০০০০

উত্তৰ লখিমপুৰ প্ৰেছ ক্লাবে নৱবৰ্ষত জনসাধাৰণৰ কল্যাণৰ হকে কাম কৰি যোৱাৰ উদ্দেশ্যে ৭ টাকৈ প্ৰস্তাৱ গ্ৰহণ কৰি ইয়াৰ কাৰ্যকৰীকৰণৰ সংকল্প গ্ৰহণ কৰিছে। সেই অনুসৰি জিলাখনৰ পিছপৰা অঞ্চলসমূহৰ উন্নয়ন সাধন, গ্ৰাম্য ক্ৰীড়া আৰু সাংস্কৃতিক প্ৰতিভাসমূহ চিনাক্ত কৰি তেওঁলোকক উপযুক্ত মঞ্চ প্ৰদান, ড্ৰাগছৰ বিৰুদ্ধে সজাগতা বৃদ্ধি, কিশোৰৰ অপৰাধ প্ৰৱণতা ৰোধৰ বাবে সজাগতা সৃষ্টি, দৰিদ্ৰ পৰিয়ালক অন্নদানৰ ব্যৱস্থা, আশ্ৰয়হীন লোকক আশ্ৰয়ৰ ব্যৱস্থাৰ লগতে স্থানীয় ৰাইজৰ অভাৱ-অভিযোগসমূহ নিষ্পত্তি কৰিবলৈ তেওঁলোকৰ সৈতে প্ৰত্যক্ষভাৱে যোগাযোগ কৰা আদি প্ৰস্তাৱ গ্ৰহণ কৰা হয়। প্ৰেছক্লাবৰ সভাপতি কুমুদ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত এই কাৰ্যসূচীত বৰ্তমান সময়ত সংবাদ মাধ্যমে সন্মুখীন হোৱা বিভিন্ন প্ৰত্যাহ্বান সন্দৰ্ভত আলোচনা কৰা হয়। সভাত নতুন বছৰত সংবাদকৰ্মীসকলে নিষ্ঠাৰে সেৱা আগবঢ়াই যোৱাৰ বাবে সংকল্পবদ্ধ হয়।

০০০০০০০

সমাপ্ত